# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-01-2026
**Time :** 18-00 Hrs.

***Assamese Evening Bulletin***

১। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাদৱৰ চৰাইদেউ মৈদামক্ষেত্ৰ পৰিদৰ্শন।

২। অপ্ৰীতিকৰ পৰিস্থিতি নিয়ন্ত্ৰণৰ উদ্দেশ্যে কোকৰাঝাৰ আৰু চিৰাং জিলাত ইণ্টাৰনেট কৰ্তন।

৩। মাজুলীৰ বংশীগোপাল নাট্য মন্দিৰত আজিৰে পৰা দুদিনীয়াকৈ কৃষক মেলা। ***আৰু***

৪। ধেমাজী জিলাৰ চিলাপথাৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত কাইলৈৰ পৰা ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতা।

ooooo

কেন্দ্ৰীয় আয়ুষ আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাদৱে আজি চৰাইদেউ জিলা ভ্ৰমণ কৰে। দিনজোৰা কাৰ্যসূচীৰে জিলাখনলৈ অহা মন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণ কালত উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ৰ অধীনৰ পূৰ্বোত্তৰ সম্পৰ্ক সেতু কাৰ্যসূচী সম্পৰ্কে পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে এই কাৰ্যসূচীৰ অধীনত জিলাখনৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান লয়। বিয়লি মন্ত্ৰীগৰাকীয়ে চৰাইদেউ মৈদাম ক্ষেত্ৰ পৰিদৰ্শন কৰি ডিব্ৰুগড়লৈ ৰাওনা হয়।

ooooo

কোকৰাঝাৰ জিলাৰ কাৰিগাঁৱৰ গৌৰীনগৰত যোৱা নিশা সংঘটিত গণপ্ৰহাৰৰ ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ১৯জন লোকক আটক কৰিছে। ঘটনাটো সন্দৰ্ভত সোধা-পোছা কৰাৰ বাবে এই লোককেইজনক আটক কৰা হৈছে বুলি জানিবলৈ দি জিলাখনৰ আৰক্ষী অধীক্ষক অক্ষদ গাৰ্গে কয় যে আৰক্ষীয়ে ইতিমধ্যে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। আইন-শৃংখলাজনিত পৰিস্থিতি নিয়ন্ত্ৰণৰ ৰখাৰ উদ্দেশ্যে কোকৰাঝাৰ আৰু চিৰাং জিলাত মোবাইল ইণ্টাৰনেট সেৱা সাময়িকভাৱে কৰ্তন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি জিলাখনৰ পৰিস্থিতি স্বাভাৱিক কৰি তোলাৰ বাবে সমাজৰ নেতৃস্থানীয় ব্যক্তি আৰু ৰাজনৈতিক নেতাসকলক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। কোকৰাঝাৰৰ পৰিস্থিতি স্বাভাৱিক কৰি তোলাৰ বাবে জিলা প্ৰশাসনৰ লগতে ৰাজ্য প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে শান্তি-শৃংখলা আৰু জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে সেনাবাহিনীৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ৰেপিড এক্সন ফোৰ্চ নিয়োগ কৰা হৈছে।

উল্লেখযোগ্য যে যোৱা নিশা অঞ্চলটোত গৰু চোৰৰ সন্দেহত ৫ জন লোকক গণপ্ৰহাৰৰ ঘটনা সংঘটিত হয়। এই আক্ৰমণত এজন লোকৰ মৃত্যু হোৱাৰ লগতে ৪ জন লোক গুৰুতৰভাৱে আহত হয়। আহতসকলৰ ভিতৰত সুনীল মুৰ্মু নামৰ লোকজনৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি জিলাখনৰ আওদাং অঞ্চলত পথ নিৰ্মাণৰ কামত জড়িত থকা শ্ৰমিককেইজন কোকৰাঝাৰলৈ এখন চাৰিচকীয়া বাহনেৰে উভতি যোৱাৰ সময়ত এই ঘটনা সংঘটিত হয়। গৌৰীনগৰৰ মাচিং ৰোড অঞ্চলত শ্ৰমিককেইজন গৈ থকা বাহনখন এটা স্থানীয় লোকৰ দলে আগচি ধৰি গৰু চোৰৰ সন্দেহত আক্ৰমণ কৰে। পাছত কোকৰাঝাৰ আৰক্ষীৰ দল ঘটনাস্থলিত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। আক্ৰমণত চিকনা জৱহলাউ বিছমিত নামৰ শ্ৰমিকজনৰ থিতাতে মৃত্যু হয়। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত প্ৰভাত ব্ৰহ্ম, জুবিৰাজ ব্ৰহ্ম, সুনীল মুৰ্মু আৰু মহেশ মুৰ্মুক কোকৰাঝাৰ হাস্পতালত ভৰ্তি কৰোৱা হয়।

বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে এই ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি এই ঘটনাত তৃতীয় পক্ষ জড়িত থকা বুলি মন্তব্য কৰে। তেওঁ সকলোকে শান্তি-শৃংখলা বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

বাইট

০০০০০

ধেমাজী জিলাৰ মাছখোৱাৰ জোৰকটা সমন্বয় সংঘৰ প্ৰাংগণত আজি ৰাজ্যখনৰ অন্যতম ৰেডিঅ' শ্ৰোতা সংঘ- অনাতাঁৰ মৰম আকলুৱা পৰিয়ালৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি অনুষ্ঠানত আকাশবাণীৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তি আৰু শ্ৰোতাক বঁটা প্ৰদান কৰা হয়। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ঘোষিকা কৰবী হাজৰিকা, ডিব্ৰুগড় কেন্দ্ৰৰ ঘোষিকা ৰীতা গগৈ বৰা, যোৰহাট কেন্দ্ৰৰ ঘোষক দিগন্ত বৰা আৰু তেজপুৰ কেন্দ্ৰৰ ঘোষক ত্ৰৈলোক্য বৰাক বিশেষ বঁটা প্ৰদান কৰে। ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত ঘোষক ৰূপজ্যোতি দুৱৰাক অনুষ্ঠান প্ৰযোজনাৰ বঁটা আৰু যুৱ সাংবাদিক নিৰঞ্জন দাসক আন দুটা বঁটা প্ৰদান কৰা হয়। কণ্ঠশিল্পী সংগীতা বৰঠাকুৰক ছৈয়দ ছাদুল্লা সোঁৱৰণী বঁটা আৰু সুৰকাৰ-গীতিকাৰ ৰাজেন গোহাঁইক জুবিন গাৰ্গ সোঁৱৰণী বঁটা প্ৰদান কৰে। বিশ্বনাথৰ শৰৎ দুৱৰা, ধেমাজিৰ মাছখোৱাৰ অজিত দিহিঙীয়া আৰু যোৰহাটৰ জাঁজীৰ দিনেশ শৰ্মালৈ অনুৰাগী শ্ৰোতা বন্ধু বঁটা আগবঢ়োৱা হয়।

বাইট

০০০০

মাজুলী জিলা কৃষি বিভাগৰ অধীনৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থাৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গড়মূৰৰ বংশীগোপাল নাট্যমন্দিৰত কৃষক মেলা অনুষ্ঠিত হৈছে। স্থানীয় বিধায়ক ভূবন গামে আজি এই মেলা উদ্বোধন কৰে। মেলাৰ সৈতে সংগতি ৰাখি প্ৰকাশিত কৃষি সাৰনি শীৰ্ষক স্মৃতিগ্ৰন্থ জিলাখনৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে উন্মোচন কৰে। এই উপলক্ষে আয়োজিত সভাত মাজুলী কৃষি খণ্ডৰ উত্তৰণ, কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনি আৰু কৃষকৰ উপাৰ্জন বৃদ্ধি কৰা সন্দৰ্ভত আলোচনা কৰা হয়। মেলাৰ সৈতে সংগতি ৰাখি কৃষি উদ্যান শস্যৰ প্ৰদৰ্শনী, বিভিন্ন বিভাগৰ দ্বাৰা উৎপাদিত উৎকৃষ্ট মানৰ সামগ্ৰী প্ৰদৰ্শন, কাৰিকৰী বিষয় সম্পৰ্কীয় আলোচনাচক্ৰ আধুনিক কৃষি যন্ত্ৰৰ প্ৰদৰ্শনী আদি অনুষ্ঠিত হৈছে।

০০০০০

শিৱসাগৰ জিলাৰ বকতা নঙলামৰা গড়মুৰ ৰাজহুৱা খেলপথাৰত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে সমন্বয় গ্ৰন্থ উৎসৱ অনুষ্ঠিত হৈছে। নাজিৰা মহাবিদ্যালয়ৰ প্ৰৱক্তা তথা উদযাপন সমিতিৰ সভাপতি ড০ জীৱন কলিতাই পতাকা উত্তোলন কৰি এই উৎসৱৰ উদ্বোধন কৰে। গ্ৰন্থ উৎসৱৰ সৈতে সংগতি ৰাখি শিক্ষাৰ্থীসকলৰ মাজত চিত্ৰাংকন, স্মৃতি শক্তি পৰীক্ষা, সাধু কোৱা, কবিতা আবৃত্তি, কুইজ, তৰ্ক, সত্ৰীয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হৈছে।

০০০০০

অসমৰ বিলুপ্তপ্ৰায় খাময়াং, টাইফাকে আৰু চিংফু ভাষাৰ ডিজিটেল সংৰক্ষণৰ বাবে সদৌ অসম ছাত্ৰ সন্থা আৰু নন্দ তালুকদাৰৰ ফাউণ্ডেচনে বিশেষ পদক্ষেপ লৈছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদ মেলত ছাত্ৰ সংগঠনটোৰ উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে তিনিওটা ভাষাত উপলভ্য তথ্যসমূহ অধ্যয়ন আৰু গৱেষণাৰ বাবে আজি ৰাজহুৱাকৈ মুকলি কৰি দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীৰ গৱেষক আৰু ইচ্ছুক ৰাইজে তিনিওটা ভাষাৰ সংৰক্ষিত তথ্যসমূহ ডিজিটেল মাধ্যমত বিচাৰিব পাৰিব। তেওঁ কয় যে ১০ হাজাৰতকৈও কম লোকে ব্যৱহাৰ কৰা আৰু ইউনেস্কোৱে বিপন্ন ভাষা হিচাপে তালিকাভুক্ত কৰা তিনিটা ভাষা সংৰক্ষণৰ বাবে বিশেষ পদক্ষেপ লোৱা হৈছিল।

সংবাদমেলত ছাত্ৰ সংগঠনটোৰ সভাপতি উৎপল শৰ্মাই কয় যে অসমৰ জনজাতি আৰু বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ সাংস্কৃতিক আৰু ভাষিক সংৰক্ষণৰ অংশ হিচাপে ছাত্ৰ সন্থাৰ সৈতে নন্দ তালুকদাৰ ফাউণ্ডেচনৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰিত হৈছিল। যোৱা বছৰৰ ২২ এপ্ৰিলত স্বাক্ষৰিত চুক্তিৰ জৰিয়তে ৰাজ্যখনৰ বিলুপ্তপ্ৰায়

ভাষাসমূহৰ উপলভ্য আপুৰুগীয়া পুথি আৰু লিখিত সাহিত্যসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

ধেমাজী জিলাৰ চিলাপথাৰৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত কাইলৈৰ পৰা ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অসম ফুটবল সন্থাৰ আমন্ত্ৰণ মৰ্মে জিলাখনৰ দুটা স্থানৰ লগতে ঢকুৱাখনাত আয়োজিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে আয়োজক সমিতিয়ে প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ কৰিছে। দেশৰ শীৰ্ষ পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাখনৰ ১৫ খন গুৰুত্বপূৰ্ণ খেল চিলাপথাৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব। কাইলৈ দিনৰ এক বজাত অসম আৰু তামিলনাডুৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখনৰ উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থকাৰ কথা।

০০০০০

শিৱসাগৰ ভলীবল ক্লাবৰ উদ্যোগত আৰু জিলা ক্ৰীড়া সন্থাৰ সহযোগত অহা ৬ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে সদৌ অসম আন্তঃজিলা পুৰুষ আৰু মহিলাৰ দিবা নৈশ ভলীবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ নগৰৰ পিয়লিফুকন ষ্টেডিয়ামৰ জননেতা প্ৰণৱজিৎ চলিহা ক্ষেত্ৰত এই প্ৰতিযোগিতা আয়োজন কৰা হৈছে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ৪০ টা দলে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব। অহা ৮ ফেব্ৰুৱাৰীৰ নিশা সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে।

০০০০০

অসম ক্ৰিকেট সন্থাৰ সৌজন্যত আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগিতাত জিলাখনৰ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত চলি থকা অষ্টম অসম প্ৰিমিয়াৰ ক্লাব ক্ৰিকেট প্ৰতিযোগিতাত মৰিগাঁও জিলা মণ্ডলৰ আজি অনুষ্ঠিত সপ্তমখন খেলত বড়িগাঁও উদয়ন সংঘই জয়লাভ কৰিছে। দলটোৱে ভূৰবন্ধা নৱজ্যোতি সংঘক ১১ ৰাণত পৰাজিত কৰে। উদয়ন ক্লাবৰ আতিকুৰ ৰহমানক শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান প্ৰদান কৰা হয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ